# অণিমা দত্তৰ গল্প 'অৱগাহন'

**লেখকৰ চমু পৰিচয় ঃ**

গুৱাহাটী বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ প্ৰাক্তন অধ্যাপিকা তথা বিশিষ্ট গল্পকাৰ সাহিত্যিক ড° অণিমা দত্ত (ভৰালী)ৰ জন্ম হয় ১৯৩৮ চনত, শিৱসাগৰ জিলাত। পিতৃৰ নাম সহজানন্দ ভৰালী আৰু মাতৃ আছিল জীউতৰা ভৰালী। শিৱসাগৰতে স্কুলীয়া জীৱনৰ পাতনি মেলা ড° অনিমা দত্তই শিৱসাগৰৰ ফুলেশ্বৰী ছোৱালী হাইস্কুলৰ পৰা ১৯৫৫ চনত হাইস্কুল শিক্ষান্ত পৰীক্ষাত প্ৰথম বিভাগত উত্তীৰ্ণ হয়। তেওঁ সেই সময়তে প্ৰতিযোগিতামূলক জলপানী (Competitive Scholarship) লাভ কৰে। ১৯৫৭ চনত গুৱাহাটীৰ সন্দিকৈ ছোৱালী মহাবিদ্যালয়ৰ পৰা প্ৰথম বিভাগত আই. এ. পৰীক্ষাত উত্তীৰ্ণ হয়। সেইখন মহাবিদ্যালয়ৰ পৰাই ১৯৫৯ চনত অসমীয়া বিষয়ত অনাৰ্ছসহ বি. এ. ৰ প্ৰথম শ্ৰেণীৰ প্ৰথম স্থান লাভ কৰে। ইয়াৰ পাছতে গুৱাহাটী বিশ্ববিদ্যায়ৰ অসমীয়া বিভাগত নামভৰ্তি কৰি অসমীয়া সাহিত্য শাখাত প্ৰথম শ্ৰেণীৰ প্ৰথম স্থান অধিকাৰ কৰি স্বৰ্ণ পদকৰ সন্মান অৰ্জন কৰে। উল্লেখযোগ্য যে, তেখেতেই আছিল গুৱাহাটী বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ পৰা সাহিত্য শাখাত প্ৰথম শ্ৰেণী প্ৰথম স্থানপ্ৰাপ্ত প্ৰথম গৰাকী ব্যক্তি।

**কৰ্মজীৱন ঃ**

গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা অসমীয়া সাহিত্য শাখাত প্ৰথম শ্ৰেণীৰ প্ৰথম হৈ প্ৰথমে শিৱসাগৰ কলেজত শিক্ষকতা জীৱনৰ পাতনি মেলে। এইখন মহাবিদ্যালয়তে প্ৰায় দুই বছৰ কাল শিক্ষকতা কৰাৰ পাছত শিৱসাগৰৰ ছোৱালী মহাবিদ্যালয়তো তেওঁ শিক্ষকতা কৰে। পৰৱৰ্তী সময়ত গুৱাহাটী বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগত তেওঁ প্ৰথমে প্ৰৱক্তা হিচাপে নিযুক্ত হৈ পাছলৈ মুৰব্বী অধ্যাপকৰ পদো অলংকৃত কৰে। উক্ত বিভাগৰ পৰাই অৱসৰ গ্ৰহণ কৰি তেওঁ শিক্ষকতা জীৱনৰ সামৰণি মাৰে।

**ৰচনাৰাজি :**

তীক্ষ্ণ মেধাসম্পন্ন অণিমা দত্তই সৰু কালৰ পৰাই সাহিত্য চৰ্চাত আত্মনিয়োগ কৰিছিল। নৱম শ্ৰেণীত পঢ়ি থাকোঁতে *নতুন অসমীয়া* আৰু *অসম বাণীত* তেওঁৰ গল্প প্ৰকাশ পাইছিল। গল্প লেখি ভাল পোৱা দত্তই অসমীয়া, ইংৰাজী কাব্য সাহিত্যতো কিছু পৰিমাণে মনোনিৱেশ কৰিছিল। তেওঁৰ প্ৰকাশিত প্ৰবন্ধবোৰৰ ভিতৰত—

১. *Assam Vaisnavism: Its tewenteeth Century voice : Lakshminath Bezbarua* (1989)

২. *অসমৰ বৈষ্ণৱ সাহিত্য আৰু দৰ্শন* (১৯৯৫)

৩. *প্ৰবন্ধ সঞ্চয়ন* (২০০২) আদি অন্যতম।

অসমীয়া সাহিত্যত গল্পকাৰ হিচাপে বিশেষভাৱে পৰিচিত অনিমা দত্তই ৰচনা কৰা গল্প সংকলনবোৰ হৈছে—

১. *বেলিফুলৰ সপোন* (১৯৬৩)

২. *কাঞ্চনজংঘা* (১৯৯১)

৩. *জীৱন অলকানন্দা* (২০০৬) আদি প্ৰধান।

উল্লেখযোগ্য যে ১৯৯০-৯৪ চনৰ ভিতৰত ৰচনা কৰা *কাঞ্চনজংঘাৰ* বাবে তেওঁ অসম সাহিত্য সভাই প্ৰদান কৰা 'বাসন্তী দেৱী বৰদলৈ বঁটা' লাভ কৰে। তদুপৰি *অসমৰ বৈষ্ণৱ সাহিত্য আৰু দৰ্শন* গ্ৰন্থৰ কাৰণে তিতাবৰ শাখা সাহিত্য সভাই প্ৰদান কৰা 'চন্দ্ৰকান্ত হীৰাপ্ৰভা বৰুৱা সাহিত্য বঁটা' লাভ কৰে। সমগ্ৰ সাহিত্য কৃৰ্তিৰ বাবে তেওঁক সদৌ অসম লেখিকা সন্থাই ২০০৪ চনত 'প্ৰবীণা শইকীয়া সাহিত্য বঁটা' প্ৰদান কৰে। প্ৰখ্যাত পণ্ডিত ড° মহেশ্বৰ নেওগ দেৱৰ তত্বাৱধানত *Lakshminath Bezbaroa his contribution to the study of religion and philosophy* বিষয়ত গৱেষণা কৰি অণিমা দত্তই ডক্টৰেট ডিগ্ৰী লাভ কৰে। তেওঁৰ গল্প ইংৰাজী আৰু বাংলা ভাষালৈও অনুদিত হৈছে।

**অণিমা দত্তৰ গল্পৰ বৈশিষ্ট্য :**

ৰামধেনু যুগতে আত্মপ্ৰকাশ কৰা এগৰাকী উল্লেখযোগ্য লেখিকা তথা গল্পকাৰ হ'ল অণিমা দত্ত (ভৰালী)। সংখ্যাত তেওঁৰ চুটিগল্প তাকৰ যদিও অসমীয়া গল্প সাহিত্যৰ বুৰঞ্জীত নাৰী মনৰ বিভিন্ন দিশ সামৰি লিখা তেওঁৰ গল্পবোৰে একসময়ত জনপ্ৰিয়তা লাভ কৰিছিল। পৰৱৰ্তী সময়ত তেওঁ কিবা কাৰণত গল্প ৰচনাৰ পৰা বিৰত থাকে। লেখিকাই অৱশ্যে বাস্তৱবাদী দৃষ্টিভংগী তথা অতি সংযত প্ৰকাশভংগীৰে নিজৰ ভাবাদৰ্শকেই তেওঁৰ গল্পবোৰত ৰূপায়ণ কৰিবলৈ চেষ্টা কৰিছে। তদুপৰি নাৰী মনৰ বিচিত্ৰ অনুভূতি আৰু দ্বন্দ্ব-সংঘাতৰ গাম্ভীৰ্যপূৰ্ণ উৎকৃষ্ট প্ৰকাশে তেওঁৰ গল্পই সকলো

Scanned by TapScanner

শ্ৰেণীৰ পাঠকক আকৰ্ষণ কৰিবলৈ সক্ষম হৈছিল। বিশেষকৈ তেওঁৰ গল্পসমূহত সচৰাচৰ একোটা নিটোল কাহিনী, একোটা কেন্দ্ৰীয় ভাবকেই ৰূপায়ণ কৰা দেখা যায়। "অনিমা দত্তৰ গল্পত কথাবস্তু এটা মাথোন কেন্দ্ৰীয় ভাবক অৱলম্বন কৰি আগবঢ়াই নিয়া দেখা যায়। সেইবাবে অনিমা দত্তৰ গল্পত কাহিনী কথনত গুৰুত্ব আছে যদিও ভাববস্তুৰ ঐক্য বিনষ্ট কৰিব পৰা বিক্ষিপ্ততা নাই।" (বৰুৱা, ২০১২ ঃ ২৯৯) এনে বাস্তৱবাদী দৃষ্টিভংগীৰে বাস্তৱ জীৱনৰ পটভূমিত ৰচনা কৰা গল্পসমূহৰ ভিতৰত 'অৱগাহন' গল্পটি উল্লেখযোগ্য।

**বিষয়বস্তু ঃ**

বিশিষ্ট গল্পকাৰ, সাহিত্যিক অনিমা দত্তৰ 'অৱগাহন' গল্পটি তেওঁৰ *কাঞ্চনজংঘা* গল্প সংকলনৰ অন্তৰ্গত প্ৰথমটো চুটিগল্প। তেওঁৰ এই 'অৱগাহন' গল্পটি এটি নিটোল কাহিনী পোৱা যায়। কাহিনীয়ে একপ্ৰকাৰ দীঘলীয়া সময় সামৰি লৈছে যদিও ইয়াৰ ভাববস্তু আৰু ভাষাৰ পৰা গল্পটি সুখপাঠ্য হৈছে। গল্পটিৰ কাহিনী ভাগ এনেধৰণৰ— কাহিনীৰ মূল চৰিত্ৰ মিছেছ ফিল্ড এগৰাকী বিদেশী বিদুষী ইংৰাজ ভদ্ৰ মহিলা। তেওঁ সম্পূৰ্ণ নাম ৰ'জা মাৰ্গাৰেট ফিল্ড। মিছেছ ফিল্ড নগাপাহাৰৰ নামনি অঞ্চলৰ এখন ডাঙৰ চাহ বাগিচাৰ মেনেজাৰৰ পত্নী। তেওঁৰ স্বামী সাত সাগৰ তেৰ নদী পাৰ হৈ ভাৰত তথা অসমৰ নগা পাহাৰৰ চাহ বাগিচাৰ মেনেজাৰৰ পদবীত নিযুক্তি হৈছিল। আৰু এই চাহ বাগানৰ সেউজীয়া পাহাৰৰ দাঁতি কাষৰতে থকা বাংলৌ গৃহতে তেওঁ স্বামীৰ লগত বসবাস কৰিছিলহি। আৰু অসমত থাকি অসমৰ অসমীয়া ভাষা-সাহিত্য, ধৰ্মীয় সংস্কৃতিৰ সম্পৰ্কে অধ্যয়ন কৰিছিল।

এই বিদুষী মহিলা গৰাকীৰ লগতে এদিন গীতা অৰ্থাৎ লেখিকাই চহৰত অনুষ্ঠিত এখন চিত্ৰ প্ৰদৰ্শনীত পৰিচয় হৈছিল আৰু এই পৰিচয়ে এদিন তেওঁলোকৰ মাজত ক্ৰমান্বয়ে আত্মীয়তা গঢ় লৈ উঠিল।

এদিনাখন গীতাই মিছেছ ফিল্ডৰ আমন্ত্ৰণ ক্ৰমে চাহ বাগানৰ কোম্পানীয়ে দিয়া ডাঙৰ আহল-বহল, প্ৰাকৃতিক পৰিবেশেৰে পৰিবেষ্টিত তেওঁৰ বঙলালৈ গৈছিল। চহৰৰ পৰা বহুত আঁতৰত অৱস্থিত মিছেছ ফিল্ডে থকা এই ঠাইখিনি পাহাৰৰ হাবিতলীয়া অঞ্চলৰ মনোৰম প্ৰাকৃতিক সৌন্দৰ্যৰ পৰিৱেশেৰে আবৰা। মুকলি সেউজীয়া ঘাঁহনি, হালধীয়া পাহীৰে ফুলি থকা সোণাৰু গছ, কৃষ্ণচূড়া, ছিলভাৰ ওক আদি বিবিধ গছৰ ফুলৰ প্ৰাকৃতিক দৃশ্যবোৰে মিছেছ ফিল্ডৰ প্ৰাসাদোপম পুৰণি অট্টালিকাৰ চৌপাশ মনোৰম কৰি তুলিছিল। এনেধৰণৰ মধুৰ প্ৰাকৃতিক সৌন্দৰ্য প্ৰত্যক্ষ কৰি গীতাই আনন্দত মতলীয়া হৈ পৰিল লগতে মিছেছ ফিল্ডৰ ব্যক্তিত্ব আৰু ৰুচিবোধো দেখি মুগ্ধ হৈছিল। গীতাই প্ৰথম সাক্ষাততে জানিব পাৰিলে যে মিছেছ ফিল্ড অসমলৈ আহি কেৱল অসমীয়া ভাষাই শিকা নাছিল, অসমৰ অসমীয়া সাহিত্য আৰু ধৰ্ম-সংস্কৃতিৰ বিষয়েও জ্ঞান আহৰণ

Scanned by TapScanner

কৰিছিল। অসমৰ শংকৰদেৱ, মাধৱদেৱ আৰু মাধৱ কন্দলিৰ ৰচনা ৰাজিয়েও মিছেছ ফিল্ডক বাৰুকৈ প্ৰভাৱান্বিত কৰিছে। গীতাৰ প্ৰশ্নৰ উত্তৰত আকৌ মিছেছ ফিল্ডে জনালে যে তেওঁ সকলো ধৰ্মৰ বিষয়ে কিছু পৰিমাণে জানে। বাইবেল, কোৰাণ, ত্ৰিপিটক, দশম, নামঘোষা আদি ধৰ্মগ্ৰন্থও পঢ়িছে। ইয়াৰ উপৰি গীতাই জানিব পাৰিলে যে মিছেছ ফিল্ড দুটা সন্তানৰ মাতৃ। তেওঁৰ ছোৱালী জনী পেৰিছৰ আৰ্ট স্কুল এখনৰ ছাত্ৰী আৰু পুতেকো লণ্ডনত বিজ্ঞানৰ গৱেষণা কৰি আছে। আৰু মিছেছ ফিল্ড নিজেও অসমৰ অসমীয়া লোক-সাহিত্যৰ বিষয়ে গৱেষণাৰত। অসমৰ লোক-সাহিত্য সম্পৰ্কে অধ্যয়ন কৰি বিলাতৰ সৰু ল'ৰা-ছোৱালীৰ বাবে তেওঁ সাধুকথা লেখে। সাধুকথা লেখিবৰ কাৰণে তেওঁ নিজে শুনি লেখিবলৈ অসমৰ অসমীয়া গাঁওবোৰলৈ যায় আৰু সাধুকথাবোৰ শুনি বহীত টুকি লৈছিল। এই বিদেশী মহিলা গাৰকীৰ এনে বিচিত্ৰ ৰুচি-অভিৰুচি দেখি গীতা আচৰিত হ'ল। বঙলাত কাম কৰা বুঢ়া চকীদাৰ ৰামলালৰ ছবি এটি মিছেছ ফিল্ডৰ আটোম-টোকাৰীকৈ সজোৱা ড্ৰইং ৰুমৰ বেৰত আঁৰি থোৱা দেখা পালে। কিয়নো তেওঁ নিজে এই ছবিখন আঁকিছিল। আৰু এইবেৰত আন কাৰো ফটো আঁৰি থোৱা নাছিল। এনে অপূৰ্ব ব্যক্তিত্বৰ অধিকাৰিণী বিদুষী মহিলাগৰাকীৰ প্ৰতি গীতা আৰু অভিভূত নহৈ নোৱাৰিলে।

কিছুদিনৰ পাছত মিছেছ ফিল্ডৰ আহ্বান মৰ্মে গীতা আৰু গীতাৰ ভনীয়েক প্ৰীতা মাজুলীলৈ বুলি কাতি মাহৰ পূৰ্ণিমা তিথিত অনুষ্ঠিত সত্ৰ এখনত ৰাস পূৰ্ণিমাৰ ৰাসলীলা চাবলৈ ওলাল। যাত্ৰা পথতেই মিছেছ ফিল্ডে বাইনকুলাৰটোৰে নদী দ্বীপ মাজুলীৰ ৰূপ সৌন্দৰ্য উপভোগ কৰিলে।

মিছেছ ফিল্ডে গীতা আৰু ভনীয়েক প্ৰীতাৰ সৈতে মাজুলীৰ এখন বিশেষ সত্ৰৰ বাহিৰৰ ডাক বঙলা এটাত তিনিদিন তিনিৰাতি থাকি ভগৱান শ্ৰীকৃষ্ণৰ ৰাসলীলাৰ মনোৰম নৃত্যৰাজি চাই অভিভূত হ'ল। অসমৰ অতি পিছপৰা অঞ্চল তথা গাঁওবোৰতো যে এনেকুৱা বৈশিষ্ট্যপূৰ্ণ মনোৰম নৃত্য-কলাৰ চৰ্চা থাকিব পাৰে সেই কথা ভাবি মিছেছ ফিল্ড আচৰিত হৈছিল। আৰু এনে নৃত্যৰাজিক ভূয়সী প্ৰশংসাও কৰিছিল।

মাজুলীৰ পৰা উভতি অহাৰ আগদিনা মিছেছ ফিল্ডৰ পৰা জানিব পাৰিলে যে তথাকথিত ধৰ্মৰ প্ৰতি মিছেছ ফিল্ডৰ কোনো ধৰণৰ নিষ্ঠাৰ মনোভাব নাছিল। তেওঁ খ্ৰীষ্টিয়ানো নহয়, তেওঁলোকৰ পৰিয়াল বা ল'ৰা-ছোৱালী হালো দেওবৰীয়া চাৰ্চিলৈ যোৱাৰ অভ্যাস নাই, তেওঁলোক গীৰ্জালৈকো নাযায়।

মাজুলীৰ পৰা ঘূৰি অহাৰ এমাহৰ পাছতে গীতাই এদিন মিছেছ ফিল্ডৰ বঙলালৈ গৈছিল। মিছেছ ফিল্ডৰ পৰা জানিব পাৰিলে যে বাগিচাৰ বনুৱা ল'ৰাবোৰক তেওঁ সপ্তাহত দুদিনকৈ ইংৰাজী শিকায়। এনে উদাৰতাৰ পৰিচয় পাই গীতা আৰু অভিভূত

হ'ল। আহিবৰ সময়ত গীতাক আৰু এটা ঘটনাই আচৰিত কৰি তুলিছিল। মিছেছ ফিল্ডৰ ঘৰৰ পৰা গীতাই ওলাই আহিব খোজোতে ক্ষীণ আৰু দুৰ্বল চেহেৰাৰ চাৰি বছৰীয়া ল'ৰা এটি তেওঁলোকৰ ওচৰলৈ দৌৰি আহিল। মিছেছ ফিল্ডে ল'ৰাটিক আকোঁৱালি লৈ মূৰত হাত ফুৰাই মৰম কৰিব ধৰিলে। গীতাই জানিব পাৰিলে যে সেইটো মিছেছ ফিল্ডৰ ড্ৰাইভাৰ মোহনৰ ল'ৰা। মোহনে বাগিচাৰে খ্ৰীষ্টিয়ান বনুৱা ছোৱালী এজনীক ঘৰৰ বাধা সত্বেও ভাল পাই বিয়া কৰাইছিল। মোহন দুৰ্ভাগ্য যে সন্তানটো জন্মৰ পাছতে মোহনৰ ঘৈণীয়েকৰ মৃত্যু হৈছিল। জাত নিমিলাৰ কাৰণে ল'ৰা কেঁচুৱাটোক মোহনৰ ঘৰৰ তথা দুয়োপক্ষৰ মানুহে গ্ৰহণ নকৰিলে। কাৰণ কেঁচুৱাটোৰ গাত খ্ৰীষ্টিয়ানৰ তেজ মিহলি আছে। ফলত কেঁচুৱাটোৰ স্বাস্থ্য একেবাৰে বেয়া হৈ আহিল। সেয়ে মিছেছ ফিল্ডেই কেঁচুৱাটোক নিজৰ টকা-পইচাৰে চিকিৎসা কৰি ল'ৰাটোৰ স্বাস্থ্য ঘূৰাই আনিলে। আৰু সেই কেঁচুৱা সন্তানটোৱেই এতিয়া চাৰি বছৰ বয়স অতিক্ৰম কৰিলে। এনেবোৰ আলোচনাই দুয়োৰে মন সেমেকি উঠিল। কিছু সময় মৌন হৈ মিছেছ ফিল্ডে গীতাক অস্কাৰ ওৱাইল্ডৰ এষাৰ কথা শুনালে — "উই হেভ জাষ্ট, এনাফ ৰিলিজিয়ন টু মেক আচ হেট, বাট নট এনাফ টু মেক আচ লাভ ওৱান এনাদাৰ।" মিছেছ ফিল্ডৰ পৰা এনেধৰণৰ মানৱ দৰদী কথা শুনি গীতা নিৰ্বাক হৈ পৰিল। গীতাৰ সন্মুখত এক সনাতন পৱিত্ৰ মাতৃ মূৰ্তিৰ ছবি ভাহি আহিল— "পৃথিৱীৰ সকলো ধৰ্মৰ অতীত, করুণা আৰু মমতাৰে সিক্ত মধুময়ী সেই মাতৃৰূপ।"(*নিৰ্বাচিত অসমীয়া চুটিগল্প*, ২০১১ ঃ ১৬৩)

**চৰিত্ৰ বিশ্লেষণ ঃ**

**মিছেছ ফিল্ড ঃ**

গল্পটোৰ মূল চৰিত্ৰ মিছেছ ফিল্ড। তেওঁৰ সম্পূৰ্ণ নাম হ'ল ৰজা মাৰ্গাৰেট ফিল্ড। তেওঁ আমেৰিকাৰ যুক্তৰাষ্ট্ৰৰ ডেফ'ডিল ফুল ৰাজ্যৰ নাগৰিক। বিশ্ববিখ্যাত কবি ৱৰ্ডছৱৰ্থৰ গৃহ ৰাজ্যত জন্ম গ্ৰহণ কৰা লোক। 'তেওঁৰ বয়স প্ৰায় দুকুৰিৰ ওচৰ চপা। পাঁচফুট শাৰীৰিক উচ্চতা, লনী দেহ, শেঁতা নীলা চকু আৰু অ'ত ত'ত সময়ৰ ৰূপোৱালী ৰেখা জিলিকা মূৰৰ চুটি মৌ বৰণীয়া চুলিখিনিৰে ধুনীয়া এগৰাকী সুন্দৰী নাৰী। ওঁঠত পাতলকৈ লিপিষ্টিক লোৱাৰ বাহিৰে কেতিয়াও কোনোধৰণৰ প্ৰসাধন ব্যৱহাৰ নকৰে, কপাহী কাপোৰৰ বাহিৰে তেওঁ আন বিলাসী পোছাক পৰিধান নকৰে। কেতিয়াও কোনো ক্লাবত গৈ উত্তেজক পানীয় খাই নৃত্য নকৰা সৰল জীৱন যাপন কৰা এগৰাকী বিদুষী ইংৰাজ মহিলা।'(*নিৰ্বাচিত অসমীয়া চুটিগল্প*, ২০১১ ঃ ১৫৭) গল্পৰ লেখিকা তথা গীতা নামৰ ছোৱালীজনীয়ে চহৰত অনুষ্ঠিত চিত্ৰ প্ৰদৰ্শনী এখনত মিছেছ ফিল্ডৰ সৈতে প্ৰথম চিনাকি হয়। এই চিনাকিয়ে পিছলৈ প্ৰগাঢ় আত্মীয়তাৰ ৰূপ লয়। আমন্ত্ৰণ ক্ৰমে এদিন গীতাই মিছেছ ফিল্ডে থকা পাহাৰৰ সেউজীয়া প্ৰাকৃতিক সৌন্দৰ্যৰে পৰিৱেষ্টিত তেওঁৰ

Scanned by TapScanner

বঙলালৈ যায়। আৰু মিছেছ ফিল্ডৰ ব্যক্তিত্ব আৰু ৰুচি-অভিৰুচিবোধ দেখি গীতা মুগ্ধ হ'ল। তেওঁ জানিব পাৰিলে যে মিছেছ ফিল্ড এগৰাকী গৱেষক, সাহিত্যিক আৰু চিত্ৰ শিল্পী। তেওঁ অত্যন্ত অধ্যয়ন পিপাসু আছিল। অতি কম সময়ৰ ভিতৰতে তেওঁ অসমৰ সাহিত্য-ভাষা, ধৰ্মীয় সংস্কৃতিৰ সম্পৰ্কে অধ্যয়ন কৰি আয়ত্ত কৰি লৈছিল। মহাপুৰুষ শংকৰদেৱৰ *দশম*, মাধৱদেৱৰ *নামঘোষা* আৰু মাধৱ কন্দলিৰ *ৰামায়ণ* পঢ়ি জ্ঞান অৰ্জন কৰিছিল। আৰু ভগৱান শ্ৰীকৃষ্ণৰ মহিমা উপলব্ধি কৰিব পাৰি কথাৰ প্ৰসংগত গীতাক কৈছিল— "তোমালোকৰ কৃষ্ণ শব্দটোৰ আচল অৰ্থ আনন্দ আৰু শান্তিৰ এটা অনুভূতি নহয় জানো? ইজ দেট ইয়ৰ লৰ্ড কৃষ্ণ— এ চেন্স অব জয় এণ্ড ওৱেলবিয়িং।" হঠাৎ মিছেছ ফিল্ড এ নামঘোষাৰ এফাকি ঘোষাও গীতাৰ আগত শুনালে— "কৃষ্ণ হেন শব্দ ইটো পৃথিৱী বাচক ভৈল, ন আনন্দত প্ৰবৰ্তয়।" (*নিৰ্বাচিত অসমীয়া চুটিগল্প*, ২০১১ঃ ১৫৮) কেৱল সেয়াই নহয় তেওঁ অসমৰ অসমীয়া সাধুকথা যেনে— পিয়লি, দুখীৰাম, টেটোন আদিৰ সাধু কথাবোৰ শুনি নিজ দেশ তথা বিলাতৰ সৰু ল'ৰা-ছোৱালীৰ বাবে অনুবাদ কৰি লিখিছিল। আৰু এইবোৰ বিলাতত পুথি আকাৰে ছপা কৰি ওলাইছিল। এদিন লেখিকাই জানিব পাৰিলে যে মিছেছ ফিল্ড এগৰাকী সুন্দৰ চিত্ৰশিল্পীও। মিছেছ ফিল্ডৰ আটোমটোকাৰীকৈ সজা বঙলাৰ ড্ৰইংৰুমৰ বেৰত আঁৰি থোৱা একমাত্ৰ বঙলাৰ বুঢ়া চকীদাৰ ৰামলালৰ পাণ্ডৰি মৰা সুন্দৰ ছবিখন তাৰে নিৰ্দশন। এইখন মি. ফিল্ডে পেঞ্চিলেৰে নিজে আঁকিছিল।

মিছেছ ফিল্ড ভ্ৰমণৰ প্ৰতি দুৰ্বাৰ আকৰ্ষণ আছিল। সেয়ে গীতা আৰু গীতাৰ ভনীয়েক প্ৰীতিৰ লগ লাগি মাজুলী ভ্ৰমণলৈ গৈছিল। লগতে এই সময়ত মাজুলী সত্ৰত চলি থকা পূৰ্ণিমা তিথিৰ কৃষ্ণৰ ৰাসলীলা নৃত্য আদি চাই অভিভূত হৈছিল। মিছেছ ফিল্ড এগৰাকী প্ৰকৃতি প্ৰীতি সৌন্দৰ্য পিপাসু আছিল। যাত্ৰাপথত নদীদ্বীপ মাজুলীৰ সেউজীয়া মনোমোহা প্ৰাকৃতিক সৌন্দৰ্য বাইনকুলাৰেৰে প্ৰত্যক্ষ কৰি আনন্দত মতলীয়া হৈ পৰিছিল আৰু মাজুলীৰ পৰিৱেশ দেখি চিঞৰি উঠিছিল— "গীতা, চ প্লিজেণ্ট।' 'অ' দেট লাভলি ৰিভাৰ আইলেণ্ড। ইট ইজ চ ৱাৰ্ম এণ্ড গ্ৰীণ এণ্ড ইনভাইটিং।"(*নিৰ্বাচিত অসমীয়া চুটিগল্প*, ২০১১ঃ ১৬০)

মাজুলীৰ পৰা অহাৰ আগদিনা কথাৰ প্ৰসংগত লেখিকা অৰ্থাৎ গীতাই জানিব পাৰিলে যে মিছেছ ফিল্ডৰ ধৰ্মৰ প্ৰতি কোনো ধৰণৰ নিষ্ঠা মনোভাব নাছিল। তেওঁ একপ্ৰকাৰ নাস্তিক আছিল। গীতাৰ ভনী প্ৰীতাৰ প্ৰশ্নৰ উত্তৰত মিছেছ ফিল্ড এ কৈছে— "ধৰ্মৰ প্ৰতি মোৰ কোনো অনুৰাগ নাই।" "এসময়ত আমি অৱশ্যে খ্ৰীষ্টিয়ানেই আছিলোঁ। কিন্তু জীৱনৰ ওপৰত গভীৰ অভিজ্ঞতা হোৱাৰ পাছত মোৰ ধৰ্মৰ প্ৰতি কোনো স্পৃহা নোহোৱা হ'ল। এতিয়া এই ভাবধাৰাকে লৈছে।"(*নিৰ্বাচিত অসমীয়া চুটিগল্প*, ২০১১ঃ ১৬১)

Scanned by TapScanner

মিছেছ ফিল্ড এগৰাকী আদৰ্শ শিক্ষয়িত্ৰীও। বাগিচাখনৰ বনুৱা ল'ৰাবোৰক তাই সপ্তাহত দুদিন ইংৰাজী শিকায়। তেওঁৰ শিক্ষাত ল'ৰাবোৰেও খুব ভাল পায়। এদিন স্কুললৈ নগ'লেই তাইক বিচাৰি ঘৰ ওলাইহি। তাই এগৰাকী মানৱদৰদীও। তেওঁৰে ড্ৰাইভাৰ মোহনৰ মৰিব খোজা কেঁচুৱাটোক নিজৰ টকা-পইচাৰে চিকিৎসা কৰি স্বাস্থ্য ঘূৰাই আনিলে। মিছেছ ফিল্ডৰ এনেধৰণৰ নিদৰ্শনে এক অপূৰ্ব ব্যক্তিত্বৰ অধিকাৰিণী বুলি গীতাই অভিহিত কৰিছে। মুঠৰ ওপৰত গল্পৰ মুখ্য চৰিত্ৰ হিচাপে মিছেছ ফিল্ড এগৰাকী মানৱদৰদী, উদাৰতা, অফুৰন্ত প্ৰাণশক্তিৰে ভৰপুৰ। শেষত ক'ব পাৰি যে তেওঁ এগৰাকী গৱেষক, লেখক সাহিত্যিক, চিত্ৰশিল্পী, গৃহিণী তথা আদৰ্শ শিক্ষয়িত্ৰী আছিল।

**গীতা ঃ**

গীতা হ'ল গল্পৰ মূল কাহিনীৰ লেখিকা। তাই চহৰত অনুষ্ঠিত এখন চিত্ৰ প্ৰদৰ্শনীত ইংৰাজ বিদুষী ভদ্ৰ মহিলা মিছেছ ফিল্ডৰ সৈতে চিনাকি হৈছিল। আৰু এই চিনাকিয়ে পিছলৈ লাহে লাহে তেওঁলোকৰ মাজত আত্মীয়তা গঢ় লৈ উঠিল। আমন্ত্ৰণ ক্ৰমে এদিন গীতাই মিছেছ ফিল্ডে বাস কৰা বাগানৰ বৃহৎ বঙলা ঘৰটোলৈ গৈছিল। গীতাই লগ পাই জানিব পাৰিলে যে এগৰাকী বিদেশী নাৰী হৈয়ো ভাৰতীয় তথা অসমীয়া সাহিত্য, ভাষা-সমাজ-সংস্কৃতিৰ আদৰ্শৰ প্ৰতি কিদৰে মিছেছ ফিল্ড উদ্বুদ্ধ হৈছিল, ৰ'জা মাৰ্গাৰেট ফিল্ডৰ জীৱনাদৰ্শ আৰু কাৰ্যাৱলীয়ে গীতাৰ মনত কিদৰে অভিভূত হৈছিল এই নাৰীগৰাকীৰ জীৱন গাথাকে মুখ্য কাহিনী ৰূপে গীতাই গল্পটোত চিত্ৰিত কৰিছে। গীতাৰ এগৰাকী ভনীয়েকও আছিল। নাম তাইৰ প্ৰীতা। অনুৰোধ ৰক্ষা কৰি গীতাই মিছেছ ফিল্ডৰ মাজুলী যাত্ৰাৰ সহযাত্ৰী হৈছিল।

**মোহন ঃ**

মোহন হ'ল মিছেছ ফিল্ডৰ ব্যক্তিগত গাড়ী ড্ৰাইভাৰ। মোহনৰ জীৱনটো অতি দুখলগা আছিল। পৰিয়াল বুলিবলৈ ল'ৰাটোৰ বাহিৰে কোনো নাছিল। মোহনৰ মানুহজনী বাগিচা এখনৰ বনুৱা খ্ৰীষ্টিয়ান সম্প্ৰদায়ৰ আছিল। মাক-দেউতাকৰ বাধা সত্বেও মোহনে তাইক বিয়া কৰাইছিল। কিন্তু জাত-পাত নিমিলাৰ বাবে উভয় ঘৰে তেওঁলোকৰ সম্পৰ্কক সহজে মানি নলৈছিল। এনেকৈ তেওঁলোকৰ সংসাৰখন চলি গৈছিল। কিন্তু নিয়তিৰ কি পৰিহাস ল'ৰা কেচুৱাটি জনমৰ পাছতে মোহনৰ ঘৈণীয়েকৰ মৃত্যু হৈছিল। মাকৰ মৃত্যুত মোহনৰ কেঁচুৱাটো নিথৰুৱা হ'ল। মোহনৰ মাক-দেউতাক আৰু ছোৱালীজনীৰ মাক-দেউতাকেও জাত মিনিলাৰ কাৰণে ল'ৰা-কেঁচুৱাটোৰ পোহপালৰ দায়িত্ব নল'লে। কাৰণ নাতি হ'লেও ল'ৰাটোৰ গাত খ্ৰীষ্টিয়ানৰ তেজ মিহলি আছে। ফলত যত্নৰ অভাৱত নৱজাত কেঁচুৱাটোৰ স্বাস্থ্যপাতিৰ অৱনতি ঘটিছিল। অৱশেষত এই মহীয়সী বিদুষী

Scanned by TapScanner

মহিলাগৰাকীয়ে নিজৰ টকা-পইচাৰে চিকিৎসা কৰি ল'ৰা কেঁচুৱাটোৰ স্বাস্থ্য ঘূৰাই আনিলে। স্বাস্থ্য ঘূৰাই আনিলে যদিও সি চাৰি বছৰ বয়সলৈকে ক্ষীণ আৰু দুৰ্বল চেহেৰাৰ হৈয়ে থাকিল। পিছলৈ মোহনে ল'ৰাটোৰ সৈতে মিছেছ ফিল্ডৰ বঙলাতে গাড়ী চলাই থাকিবলৈ লৈছিল।

**অন্যান্য চৰিত্ৰ ঃ**

গল্পটোৰ মুখ্য চৰিত্ৰ মিছেছ ফিল্ড আৰু গীতাৰ বাহিৰে বাকী চৰিত্ৰবোৰৰ সম্পৰ্কে গল্পকাৰে স্পষ্ট ৰূপত দাঙি ধৰা নাই। মিছেছ ফিল্ডৰ স্বামী বাগানখনৰ মেনেজাৰ আছিল যদিও স্বামীৰ সম্পৰ্কে উল্লেখ পোৱা নাযায়। ল'ৰা-ছোৱালীৰ নামৰ সম্পৰ্কেও পোৱা নাযায়। মিছেছ ফিল্ডৰ ল'ৰা বিলাতৰ বিজ্ঞানৰ গৱেষণাৰত। আৰু জীয়েক পেৰিছৰ আৰ্ট স্কুলৰ ছাত্ৰী। তাই আৰ্টৰ ক'চ শেষ হ'লে চেফিগুৰ স্কুল এখনত কামত যোগ দিব। আনহাতে মিছেছ ফিল্ডৰ বঙলাত থাকি চকীদাৰী হিচাপে কাম কৰা চৰিত্ৰ পোৱা যায়। নাম তেওঁৰ ৰামলাল। তেওঁ এজন বয়সস্থ বুঢ়া চকীদাৰ। মূৰত নীলাকৈ পাগুৰি মাৰিছিল। হয়তো তেওঁৰ মৃত্যু ঘটিছে। কিয়নো মিছেছ ফিল্ডে ড্ৰইংৰুমৰ বেৰত ৰামলালৰ একমাত্ৰ ফটোখন আৰি থোৱা দেখা গৈছিল। গল্পটোত উল্লেখ থকা আন এটি চৰিত্ৰ হ'ল প্ৰীতা। প্ৰীতাৰ বায়েক হ'ল গীতা অৰ্থাৎ লেখিকা। মিছেছ ফিল্ড আৰু বায়েক গীতাৰ মাজুলীৰ ভ্ৰমণ যাত্ৰাৰ তাই সহযাত্ৰী আছিল। মাজুলীত মিছেছ ফিল্ডৰ লগত ধৰ্মৰ প্ৰতি থকা ধাৰণা সম্পৰ্কে প্ৰীতাই আলোচনা কৰা কথা উল্লেখ আছে।

**সামৰণি ঃ**

অণিমা দত্তৰ 'অৱগাহন' গল্পটি এক উচ্চ ভাবসম্পন্ন সুন্দৰ গল্প। ই উন্নতমানৰ এটি চুটিগল্প। গল্পৰ ভাব-ভাষাও গভীৰ আৰু গাম্ভীৰ্যপূৰ্ণ। কাৰিকৰী কলা-কৌশলৰ সু-প্ৰয়োগৰ ক্ষেত্ৰতো লেখত ল'বলগীয়া। মহিমাময়ী উদাৰ মনৰ নাৰী এগৰাকী জীৱন কাহিনী খুব সুন্দৰকৈ উপস্থাপন কৰা হৈছে। গল্পটোত লেখিকাৰ মূল বক্তব্য বিষয় অতি সুন্দৰভাৱে ৰূপায়িত কৰা হৈছে। গল্পটোত গীতা আৰু মিছেছ ফিল্ডৰ মাজত হোৱা কথা-বতৰা আৰু বিভিন্ন ধৰণৰ বৰ্ণনাই লেখিকাৰ উদ্দেশ্য সাধনত সফল হৈছে বুলি ক'ব পাৰি। বিভিন্ন চৰিত্ৰৰ সমাবেশ আৰু চৰিত্ৰসমূহৰ কাৰ্যাৱলীয়েও 'অৱগাহন' গল্পটিক সমৃদ্ধ কৰিছে। উপযুক্ত সংলাপ প্ৰয়োগে গল্পটি পাঠকৰ মন আকৰ্ষণ কৰিছে। গল্পটিৰ নামকৰণৰ ক্ষেত্ৰতো মন কৰিবলগীয়া। 'অৱগাহন' শব্দৰ অৰ্থ হৈছে জোবোৰা মাৰি পানী গা ধোৱা। অৰ্থাৎ মানুহে গৰমৰ প্ৰকোপত যেতিয়া ঘামে তেতিয়া নৈৰ পানীত গা ধুই শৰীৰ তথা মানসিক শান্তি অনুভৱ কৰে। এনে কৰাৰ ফলত যেন মানুহৰ মানসিক ভাবধাৰাৰো পৰিৱৰ্তন হয় আৰু মনত নতুন উদ্যম তথা উন্নত ভাবধাৰা যেন সৃষ্টি হয়। অণিমা দত্তৰ 'অৱগাহন' গল্পটোতো লেখিকা তথা গীতাৰ মানসিক ভাবধাৰা উন্নত

Scanned by TapScanner

ৰূপত দেখুওৱা হৈছে। বিদেশী মহিলা গৰাকীৰ জীৱনাদৰ্শ আৰু কাৰ্যাৱলীয়ে লেখিকাৰ মনত কেনেদৰে অভিভূত কৰিছিল, মহিমাময়ী বিদুষী মহিলা গৰাকীৰ কথা ভাবি কিদৰে তেওঁক 'সনাতন মূৰ্তিৰ সৈতে তুলনা কৰি কৰুণা আৰু মমতাৰে সিক্ত মধুময়ী মাতৃৰূপে' হৃদয়ত স্থান দি প্ৰশান্তি অনুভৱ কৰিছিল সেয়াই হ'ল গল্পটোৰ নামকৰণৰ তাৎপৰ্য। শেষত ক'ব পাৰি যে "তথাকথিত ধৰ্মভীৰু সমাজৰ সংকীৰ্ণ মানসিকতাৰ বিপৰীতে ধৰ্ম আৰু ঈশ্বৰত বিশ্বাসহীন এগৰাকী নাৰীৰ মানৱিক চেতনাৰ মহত্ত্ব প্ৰকাশ গল্পটোৰ কেন্দ্ৰীয় ভাব। এনে এটা মাথোন কেন্দ্ৰীয় ভাবক আগবঢ়াই নিওঁতে গল্পৰ উৎকণ্ঠা আৰু পৰিণতি মুখী ঐক্যও ৰক্ষা হৈছে। এনে কাৰণতে অণিমা দত্তৰ 'অৱগাহন' এটা উৎকৃষ্ট মানৰ গল্প।" (বৰুৱা, ২০১২ঃ ২৯৯)

**প্ৰসংগ পুথি ঃ**

*নিৰ্বাচিত অসমীয়া চুটিগল্প প্ৰবাহ*। প্ৰথম প্ৰকাশ। গুৱাহাটী ঃ কৃষ্ণ প্ৰকাশ,২০১১।

বৰুৱা, প্ৰহ্লাদ কুমাৰ। *অসমীয়া চুটিগল্পৰ অধ্যয়ন*। ডিব্ৰুগড় ঃ বনলতা প্ৰকাশ, ২০১২।

শৰ্মা, সত্যেন্দ্ৰনাথ। *অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত*। দশম সংস্কৰণ (পুনৰ মুদ্ৰণ), গুৱাহাটী ঃ সৌমাৰ প্ৰকাশ, ২০১১।

Scanned by TapScanner